**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-01-2025
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

অসমৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় গড়তকৈ বৃদ্ধি পাইছে বুলি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ মূল কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এই কথা উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে ৰাজ্যৰ জনমূৰি আয় পূৰ্বৰ তুলনাত বৃদ্ধি পোৱাত সন্তোষ প্ৰকাশ কৰে।

বহুকেইখন নতুন বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য প্ৰতিষ্ঠান নিৰ্মাণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ শিক্ষা খণ্ডৰ আন্তঃগাঁথনি উন্নয়ন অভূতপূৰ্বভাৱে বৃদ্ধি পোৱা বুলি তেওঁ প্ৰকাশ কৰে।

গ্ৰামাঞ্চলৰ উন্নয়ন বৰ্তমানৰ চৰকাৰখনে উচ্চ অগ্ৰাধিকাৰ বিষয় হিচাপে গণ্য কৰি আহিছে বুলি শ্ৰীআচাৰ্যই উল্লেখ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীতকৰণৰ উপৰি বহনক্ষম বিকাশৰ বাবে পদক্ষেপ লৈ থকা হৈছে। ইয়াৰ অংশ স্বৰূপে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত বৰ্তমানলৈ ১৯ লাখ ৫০ হাজাৰ পকী গৃহ নিৰ্মাণ কৰা হৈছে বুলি ৰাজ্যপালগৰাকীয়ে জানিবলৈ দিয়ে। গ্ৰামীণ নিয়োগৰ ক্ষেত্ৰত এম জি এনৰেগাৰ অধীনত বহু লোকে কৰমসংস্থাপন লাভ কৰিছে। ইপিনে ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ দ্বাৰা ১০০ শতাংশ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰণকৰণৰ দিশত অসমে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰাৰ কথাও ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আমাৰ ৰাষ্ট্ৰখনক এখন বিকশিত ৰাষ্ট্ৰলৈ লৈ যোৱাৰ অমৃত যাত্ৰাৰ সহযোগী হ'বলৈ ৰাজ্যবাসীলৈ আহ্বান জনাইছে। ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৭৬ সংখ্যক ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। ৰাজ্যত শান্তিৰ নিজৰা ব'বলৈ আৰম্ভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে যোৱা কেইবছৰমানৰ  ভিতৰত ৰাজ্যখনৰ কেইবাটাও উল্লেখযোগ্য সফলতাৰ বিষয়ে আলোকপাত কৰে।

২০২৪ চনত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰা, চৰাইদেউৰ মৈদামক্ষেত্ৰসমূহে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা লাভ কৰা, বিহুৱে গিনিজ বুক ৱৰ্ল্ড ৰেকৰ্ডত স্থান লাভ কৰা, লাচিত বৰফুকনৰ প্ৰতিমুৰ্তিয়ে দেশৰ ভিতৰতে অনন্য স্থান পোৱা আদি বিষয়সমূহত  মুখ্যমন্ত্ৰীয়ে আলোকপাত কৰে। মুখ্য মন্ত্ৰী শ্ৰীশৰ্মাই ষ্টাৰ্ট আপ সমূহৰ প্ৰগতি সুনিশ্চিত কৰাৰ অৰ্থে ৰাজ্যত প্ৰথমবাৰৰ বাবে ষ্টাৰ্টআপ বিভাগ সৃষ্টি কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ ষ্টাৰ্টআপসমূহক  নতুন অসমৰ অৰ্থনৈতিক নৱজাগৰণ বুলি আখ্যা দিয়ে। তদুপৰি ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰীৰ বাবে পেঞ্চন আঁচনি প্ৰৱৰ্তন কৰা হ'ব বুলিও তেওঁ সদৰি কৰে। তেওঁ ২০০৫ চনৰ

পূৰ্বে নিয়োগ প্ৰক্ৰিয়া আৰম্ভ হোৱা কৰ্মচাৰীসকলক পুৰণি পেঞ্চন ব্যৱস্থাৰ সুবিধা প্ৰদান কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

০০০

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত সোণাৰী ৰাজহুৱা খেলপথাৰত আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি জিলা আয়ুক্ত ডাঃ নেহা যাদৱে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। পতাকা উন্মোচনৰ পূৰ্বে জিলা আয়ুক্তগৰাকীয়ে দেশৰ স্বাধীনতাৰ হকে প্ৰাণ দিয়া বীৰ শ্বহিদসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ কুচকাৱাজত অংশগ্ৰহণ কৰা আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰো অভিবাদন গ্ৰহণ কৰে। জিলাবাসীলৈ স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি আয়ুক্তগৰাকীয়ে কয়, যে চৰাইদেউ মৈদামক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰূপে মৰ্যাদা পোৱাটো জিলাখনৰ বাবে আশাব্যঞ্জক বতৰা। এই বতৰাই জিলাখনলৈ বহু নতুন সম্ভাৱনাৰ বাট কাটিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

লখিমপুৰ জিলাতো লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। অসম চৰকাৰৰ শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি শ্ৰীগোৱালাই আৰক্ষী আৰু বিভিন্ন নিৰাপত্তা বাহিনীৰ সামৰিক কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে।

বিত্ত তথা মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি দিয়া ভাষণত জিলা স্তৰৰ সকলো বিভাগৰ জনকল্যাণমূলক আঁচনিৰ খতিয়ান দাঙি ধৰে।

তিনিচুকীয়া জিলাত নতুনকৈ ২২৮ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ গঢ়ি তোলাত চৰকাৰে অনুমোদন দিয়ে। গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে এইদৰে কয়। তেওঁ জিলাখনত কেন্দ্ৰীয়ভাৱে আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্য়সূচীত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে।

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই যোৰহাটৰ জিলা ক্ৰীড়া খেলপথাৰত আয়োজিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিকদৰ্শনত সবকা সাথ সবকা বিকাশ সবকা বিশ্বাস ভাৱাদৰ্শৰ সৈতে প্ৰগতি তথা উন্নয়নৰ দিশে ৰাজ্যখনৰ যাত্ৰা অব্যাহত থকা সন্দৰ্ভত আলোকপাত কৰে।

০০০

সমাপ্ত